জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬৮/২০২২**

## গুৱাহাটী উন্নয়ন নগৰ পৰিক্ৰমা বিভাগৰ অংশহে

# মন্ত্ৰী অশোক সিংহলেই আছে গুৱাহাটীৰ উন্নয়নৰ দায়িত্বত

**দিছপুৰ, ১০ জুন ঃ** অসম চৰকাৰৰ গুৱাহাটী উন্নয়ন বিভাগ আৰু নগৰ উন্নয়ন বিভাগৰ চামিলকৰণেৰে পূৰ্বেই গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ গঠন কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে গুৱাহাটীৰ উন্নয়নৰ দায়িত্বও গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ওপৰতে অৰ্পণ কৰা হৈছে। পূৰ্বৰে পৰা এই বিভাগৰ দায়িত্বত আছে মন্ত্ৰী অশোক সিংহল। সেয়ে সামগ্ৰিকভাৱে সমগ্ৰ নগৰ পৰিক্ৰমা বিভাগৰ লগতে গুৱাহাটীৰ উন্নয়নৰ দায়িত্বও মন্ত্ৰী অশোক সিংহলৰ ওপৰতে ন্যস্ত হৈ আছে। এই ক্ষেত্ৰত মন্ত্ৰী অশোক সিংহলক গুৱাহাটী উন্নয়ন বিভাগৰ দায়িত্বৰ পৰা আজৰাই দিয়া বুলি প্ৰচাৰিত বাতৰি ভুল আৰু বিভ্ৰান্তিকৰ।

**পুঃডেঃ**
**১০/০৬/২০২২**